بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**যুদ্ধকালীন অৱস্থাত হজৰত মহম্মদ (ছাঃ)ৰ উত্তম আদৰ্শ আৰু পেলেষ্টাইনৰ নিৰ্দোষ, নিষ্পাপ সকলৰ বাবে বিশেষ দোৱাৰ তেহেৰিক।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১ ডিচেম্বৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আঁহজৰত (ছাঃ)ৰ যুদ্ধ অভিযান সম্পৰ্কে কিছু কথা বৰ্ণনা কৰিম। তেখেত (ছাঃ)ৰ ব্যক্তিত্ব আৰু আদৰ্শ যুদ্ধৰ সংকটময় পৰিস্থিতিৰ সময়ত কেনে আছিল সেয়া আমি বদৰৰ যুদ্ধৰ সময়ত দেখিবলৈ পাওঁ। বদৰৰ যুদ্ধৰ সময়ত আঁহজৰত (ছাঃ)য়ে যুদ্ধ বন্দী সকলক কেনেকুৱা সা-সুবিধা আগবঢ়াইছিল সেয়া কয়েদী সকলেই প্ৰকাশ কৰিছে। কয়েদী সকলে কৈছে যে আঁহজৰত (ছাঃ)ৰ নিৰ্দেশ মৰ্মে চাহাবা সকলে নিজৰ খাদ্যতকৈ ভাল আহাৰ আদি আমাক প্ৰদান কৰিছিল। আকৌ অতি সহজ চৰ্ত সাপেক্ষে কয়েদী সকলক ৰেহাই দিছিল।

কিছুমান কয়েদীৰ কেৱল ইখিনিয়ে ফিদিয়া দিব লগা হৈছিল যে যিজনে লিখা-পঢ়া জানিছিল তেওঁ মুছলমান সকলক লিখা-পঢ়া শিকাব লাগিছিল। আঁহজৰত (ছাঃ)য়ে এনেকুৱা আচৰণ কৰাৰ অৰ্থ এয়াই আছিল যে কাৰো লগত তেখেত (ছাঃ)ৰ কোনো ব্যক্তিগত শত্ৰুতা নাছিল। এয়া আল্লাহ তা'লাৰ দ্বীনক বাধা দিওঁতা ধ্বংসকাৰী সকলৰ বিৰুদ্ধে কৰা যুদ্ধ আছিল। ইয়াৰে কিছুমান লোক এনেকুৱা আছিল যিসকলে নিজৰ কিবা বাধ্যবাধকতাৰ ফলত ইছলামৰ শত্ৰু সকলৰ লগত যোগ দিছিল। পৰাপক্ষত তেওঁলোকে মুছলমান সকলৰ লগত কাজিয়া কৰিব বিচৰা নাছিল। এনে ধৰণৰ লোক সকলক আঁহজৰত (ছাঃ)য়ে বিভিন্ন ধৰণৰ সা-সুবিধা আগবঢ়াইছিল। এনে লোকৰ মাজৰ পৰা বহুতেই মুছলমান হৈ পৰে। আঁহজৰত (ছাঃ)য়ে যুদ্ধৰ কিছুমান নিয়ম-নীতি বান্ধি দিছিল। চুক্তি-স্বাক্ষৰ কৰিছিল আৰু সেই চুক্তিৰ চৰ্ত আখৰে আখৰে পালন কৰিছিল। বৰ্তমান বিশ্বৰ আইন কানুনৰ দৰে নাছিল যে নীতি-নিয়ম, চৰ্ত আদি বহুত বনাব, কিন্তু তাৰ ওপৰত আমল কোনেও নকৰিব, বৰং তাৰ মাজত কৰো, নকৰো অৱস্থাত থাকিব গৈ।

আঁহজৰত (ছাঃ)ৰ জীৱনটো কোৰাণ কৰিমৰ আদেশ নিষেধৰ এটা আমলি তফছিৰ। য'ত ন্যায় বিচাৰ আৰু শান্তি প্ৰতিষ্ঠাৰ বুনিয়াদী নীতিৰ এটা স্পষ্ট বৰ্ণনা আছে। আল্লাহ তা'লা এঠাইত কৈছে, **ইয়া আয়য়ুহাল্লাজিনা আমানু কুনু কাওৱামিনা লিল্লাহি শুহাদাআ বিলকিছতি-ওৱা লা ইয়াজৰিমান্নাকুম শ্বানাআনু কাওমিন আলা আল্লা তাদিলু-ইদিলু হুৱা আকৰাবু লিততাকওৱা-ওৱাত্তাকুল্লাহা ইন্নাল্লাহা খাবিৰুম বিমা তামালুন।** অৰ্থাৎ হে লোক সকল ! তোমালোকে যিসকলে ঈমান স্থাপন কৰিছা। আল্লাহৰ ওয়াস্তে সঠিক ভাৱে নিজকে পৰিচালনা কৰি ন্যায় বিচাৰৰ সপক্ষে সাক্ষী ৰূপে থিয় দিয়া আৰু কোনো সম্প্ৰদায়ৰ শত্ৰুতাই যেন তোমালোকক প্ৰলোভিত নকৰে যে তোমালোকে ন্যায়ৰ পথ অৱলম্বন নকৰা। ন্যায়ৰ মাজত থাকা এয়া তাকওৱাৰ আটাইতকৈ বেছি নিকটৱৰ্তী আৰু আল্লাহ তা'লাক ভয় কৰা। আল্লাহ তা'লা নিশ্চয় সেই সকলোবোৰ কথা জানে যিবোৰ তোমালোকে কৰি থাকা। গতিকে আঁহজৰত (ছাঃ)ৰ আদৰ্শ এই শিক্ষাৰ আলোকত সকলো ক্ষেত্ৰতেই কাৰ্যকৰী ভূমিকা লৈছে আৰু ইয়াৰ এটা সৰ্বোচ্চ মান প্ৰতিষ্ঠিত কৰিছে।

আজি উহুদৰ দিনৰ বিষয়ে কিছু কথা বৰ্ণনা কৰিম। যেনেকৈ কিছুমান ঘটনাই এয়া প্ৰমাণ কৰে যে এই যুদ্ধ খনও শত্ৰু সকলে নিজৰ হিংসাৰ জুইৰ দপদপনিত সুত্ৰপাত ঘটাইছিল; যাৰ ফলত মুছলমান সকলে আত্মৰক্ষাৰ্থে যুদ্ধত নামিব লগীয়া হৈছিল। এই যুদ্ধখন তিনি হিজৰীৰ শ্বোৱাল মাহৰ এটা শনিবাৰত, বদৰৰ যুদ্ধৰ এবছৰ পিছত উহুদ নামক এখন ঠাইত সংঘটিত হৈছিল।

ইতিহাসবিদ সকল আৰু জীৱনী লিখক সকলে এই বিষয়ে একমত যে উহুদৰ যুদ্ধ তিনি হিজৰীৰ শ্বোৱাল মাহত সংঘটিত হৈছিল। এটা বৰ্ণনাত চাৰি হিজৰীত হোৱা বুলিও উল্লেখ আছে। বেছিভাগ বৰ্ণনাত শ্বোৱাল মাহৰ সাত আৰু পোন্ধৰ তাৰিখত উহুদৰ যুদ্ধ সংঘটিত হোৱাৰ কথা উল্লেখ আছে। আঁহজৰত (ছাঃ)য়ে জুমাৰ দিনা নামাজে আছৰৰ পিছত মদিনাৰ পৰা উহুদলৈ যাত্ৰা কৰি শনিবাৰ দিনা সূৰ্য উদয়ৰ আগতে উহুদৰ যুদ্ধ ময়দানত গৈ উপস্থিত হয়।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰাত খাতামান নাবিঈন পুস্তকত উহুদৰ যুদ্ধৰ তাৰিখ তিনি হিজৰীৰ শ্বোৱাল মাহৰ পোন্ধৰ তাৰিখ অৰ্থাৎ ৩১ মাৰ্চ ৬২৪ খ্ৰীষ্টাব্দৰ শনিবাৰ বুলি বৰ্ণনা কৰিছে। এই যুদ্ধৰ একমাত্ৰ কাৰণ এয়া আছিল যে যেতিয়া কুৰাইছ সকলে বদৰৰ যুদ্ধত শোচনীয় ভাৱে পৰাজয় কৰে তেতিয়া কুৰাইছ সকলৰ ফালৰ পৰা নেতৃত্ব থকা লোক সকলৰ পৰা আব্দুল্লাহ বিন আবি ৰবিয়া, আকৰামা বিন আবু জেহেল, ছফোৱান বিন উমিয়া, আদি কৰি আৰু কিছুমান নেতা সকলে আবু ছুফিয়ানৰ ওপৰত আহে, এওঁলোকৰ ধন মাল সেই বনিক দলটোৰ মাজত আছিল, যাক কেন্দ্ৰ কৰি বদৰৰ যুদ্ধ সংঘটিত হৈছিল। সেই ধনমালবোৰ আনি মক্কাৰ দাৰুল নদওৱাত ৰখা হৈছিল। এওঁলোকে গৈ আবু ছুফিয়ানক কয় যে মহম্মদ (ছাঃ)য়ে আমাৰ লোক জনক হত্যা কৰিছে গতিকে এই ব্যৱসায়িক ধন মালেৰে তাৰ বিৰুদ্ধে যুদ্ধৰ প্ৰস্তুতি ল'ব লাগে। সম্ভৱত আমি আমাৰ মৃত্যু হোৱা লোকৰ প্ৰতিশোধ ল'ব পাৰিম। আৰু এই ধনমালৰ লাভাংশৰে এটা যুদ্ধ বাহিনী সাজু কৰিলে আমি নথৈ আনন্দিত হ'ম। এই পৰিকল্পনাত আবু ছুফিয়ানে সন্মতি দিয়ে।

কুৰাইছ সকলে সেই ধনমালৰ ২৫ হাজাৰ দেৰহাম পৃথক কৰি লৈ আনি মালৰ মালিক সকলক প্ৰদান কৰে আৰু বাকী অংশখিনি যুদ্ধ প্ৰস্তুতিৰ বাবে ৰাখে। এই কাৰণটোৰ ওপৰিও আৰু কিছুমান কাৰণ থকা বুলি উল্লেখ কৰিছে। যেনেকৈ লিখিছে যে বদৰৰ যুদ্ধৰ পিছত মক্কাৰ কুৰাইছৰ বনিক দল ছিৰিয়ালৈ (শ্বামলৈ) ব্যৱসায় কৰিবলৈ যোৱাটো বন্ধ হৈ পৰে কাৰণ মক্কাৰ পৰা শ্বামলৈ যোৱা বাণিজ্য ৰাস্তাখন মদিনাত অৱস্থিত মুজাফাত নামক ঠাইৰ ওপৰেদি গৈছে আৰু কুৰাইছ সকলৰ জুলুম অত্যাচাৰত মুছলমান সকলে অতিষ্ট হৈ পৰিছিল। যাৰ ফলত কুৰাইছৰ বণিক দল সেই বাটেৰে যাবলৈ সাহস পোৱা নাছিল। ইফালে যুদ্ধত পৰাজয় আৰু বদৰ প্ৰান্তত কুৰাইছ

ছৰদাৰ সকলৰ মৃত্যু আৰু সত্তৰ জন মুশৰিক গ্রেপ্তাৰ আদি কৰি ঘটনা বিলাকে কুৰাইছৰ সমাজত আৰু তেওঁলোকৰ খ্যাতিৰ মাজত এক কলঙ্ক হানি দিছিল। সেয়ে কুৰাইছ সকলে মুছলমান সকলৰ ওপৰত প্রতিশোধ ল'ব বিচাৰিছিল যাতে তেওঁলোকৰ ক্ষমতা অটুট থাকে। এজন লিখকে উহুদৰ যুদ্ধৰ আন এটা কাৰণ এয়াও বর্ণনা কৰিছে যে কুৰাইছ সকলে বিভিন্ন যুদ্ধ অভিযানত মুছলমান সকলৰ হাতত পৰাজয় বৰণ কৰি বৰকৈ ক্ষোভিত আৰু দুখিত হৈ পৰে আৰু ইয়াৰ প্রতিশোধৰ অগ্নিয়ে সিহঁতক ব্যাকুল কৰি তুলে। সেয়ে তেওঁলোকে ওচৰে-পাজৰে থকা কবিলা বিলাকক নিজৰ সৈতে মিলাই ল'বলৈ বিভিন্ন লোভ দেখুৱাই আৰু প্রৰোচনাৰে নিজৰ লগত মিলাই লৈছিল।

যিয়েই নহওঁক হজৰত আববাছ (ৰাঃ)ৰ চিঠিৰ জৰিয়তে আঁহজৰত (ছাঃ)য়ে কাফিৰ সকলৰ এই যুদ্ধ প্রস্তুতি সম্পর্কে জানিব পাৰে। আনফালে ইহুদী আৰু মুনাফিক সকলে সংবাদ দিছিল যে মহম্মদ (ছাঃ)য়ে এই বিষয়ে কোনো খবৰেই পোৱা নাই। কাফিৰ সকলে এই খবৰ পাই আনন্দিত হৈ নানা ধৰণৰ খবৰ প্রচাৰ কৰি মুছলমান সকলক ভীতিগ্রস্ত কৰিবলৈ চেষ্টা কৰে, যাৰ ফলত মুছলমান সকলে সতর্কতা অৱলম্বন কৰে। চাৰিও ফালে হৈ-চৈ আৰু আতংক বিস্তাৰ হয় যে মক্কাৰ মুশৰিক সকলে মুছলমান সকলৰ ওপৰত আক্রমণ চলাবলৈ আহি আছে।

তিনি হিজৰীৰ ৰমজান মাহৰ শেষ ভাগত অথবা শ্বোৱাল মাহৰ আগভাগত কুৰাইছৰ সৈন্যদল মক্কাৰ পৰা মদিনাৰ ফালে যাত্রা কৰে। তেওঁলোকৰ সৈন্য সংখ্যা আছিল তিনি হেজাৰ, য'ত সাত শ চিপাহী, দুশ ঘোঁৰা আৰু তিনি হেজাৰ উট থকাৰ কথা উল্লেখ পোৱা যায়। হজৰত আববাছ (ৰাঃ)য়ে কুৰাইছ বাহিনীৰ সকলো বিৱৰি আঁহজৰত (ছাঃ)ক অৱগত কৰে আৰু আমৰ বিন ছালমে ৰছুলুল্লাহ (ছাঃ)ক মুশৰিকিনে মক্কাৰ যাত্রা সম্পর্কে খবৰ পৌচাই দিয়ে। যেতিয়া এই সকলোবোৰ গোপন তথ্য আবু ছুফিয়ানে জানিব পাৰে তেতিয়া আবু ছুফিয়ানে চিন্তিত হৈ পৰে তেতিয়া চফুৱান বিন উমিয়ায় আবু ছুফিয়ানক শান্তনা দি কয় যে মুছলমান সকলৰ তুলনাত আমাৰ সংখ্যা বেছি, যুদ্ধ সৰঞ্জাম বহু বেছি, আমি তেওঁলোকৰ জান মালৰ ক্ষতি সাধন কৰাৰ ক্ষমতা ৰাখো, গতিকে চিন্তাৰ একো কাৰণ নাই। তেওঁলোকে আমাৰ একো ক্ষতি সাধন কৰিব নোৱাৰিব।

আবু ছুফিয়ানৰ পত্নী হিন্দায় কৈছিল তোমালোকে মহম্মদ (ছাঃ)ৰ মাকৰ কবৰ খান্দি তাইৰ শৰীৰ অংগবোৰ প্রত্যেক ব্যক্তিৰ ফিদিয়া হিচাপে এটা এটাকৈ দি দিয়া। কুৰাইছৰ আন আন সদস্য সকলে এই কথাৰ বিৰোধীতা কৰিছিল আৰু কৈছিল এনে আচৰণ কৰিলে তেওঁলোকও আমাৰ মৃত ব্যক্তি সকলৰ কবৰ খান্দি উলিয়াব। কাফিৰ সেনা বাহিনীৰ মহিলা সকলেও প্রতিশোধ ল'বলৈ পুৰুষ সকলক উৎসাহিত কৰি গৈছিল আৰু দলটো আগবাঢ়ি গৈ আছিল। আনফালে মুছলমান সকলেও সাজু হ'বলৈ আৰম্ভ কৰিছিল।

ছিৰাত খাতামান নাবিঈনত লিখিছে যে আঁহজৰত (ছাঃ)য়ে দুজন চাহাবীক কুৰাইছ বাহিনীৰ খবৰ ল'বলৈ পঠিয়ায় আৰু ইফালে তেখেত (ছাঃ)য়ে মুছলমান সকলৰ সংখ্যা আৰু শক্তিৰ ধাৰণা ল'বলৈ মদিনাৰ সকলো মুছলমান বাসিন্দাৰ জন গণনা (লোক পিয়ল) কৰোৱায়। সেই গণনা মতে তেতিয়া মদিনাত পোন্ধৰ শ মুছলমান থকা বুলি সঠিক তথ্য লাভ কৰে।

সেই সময়ৰ পৰিস্থিতি অনুযায়ী এই সংখ্যাক এটা ডাঙৰ জনসংখ্যা বুলি ঠাৱৰ কৰা হৈছিল। কিছুমান চাহাবাই আনন্দত মতলীয়া হৈ এয়াও কৈছিল যে ইমান জনসংখ্যা থকা সত্বেও আমি এতিয়া কাকো ভয় কৰিব লগীয়া কিবা আছে নে ?

যেতিয়া উহুদৰ যুদ্ধৰ বাবে মুছলমান সকলে ট্রেইনিং অর্থাৎ প্রশিক্ষণ লৈ আছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে মই ৰাতি এটা সপোন দেখিছো। দেখিলো যে এটা গাই জবাই কৰা হৈ আছে আৰু নিজৰ তৰোৱাল অর্থাৎ জোলফুক্কাৰৰ ধাৰত মামৰ আহিছে। কিছুমান ৰিৱায়তত তৰোৱাল অর্থাৎ এছাৰি ভাঙি যোৱা আৰু এছাৰিৰ একাষত ফাট ধৰাৰ উল্লেখ আছে। আকৌ মই দেখিলো যে মই এটা মজবুত কবচৰ ভিতৰত হাত সুমুৱাই দি

আছো। (আন এটা ৰিৱায়তত এটা মজবুত কবচ পিন্ধাৰ কথা উল্লেখ আছে) মই দেখিলো যে মই এটা ভেকুলীৰ পিঠিত আৰোহণ কৰি আছো। আঁহজৰত (ছাঃ)য়ে এই সপোনৰ এয়া অৰ্থ ব্যাখ্যা কৰিছে যে গাই জবাই কৰাৰ এয়া ইংগিত বহন কৰে যে মোৰ পৰিয়ালৰ অথবা বংশৰ কোনোবাই নিহত হ'ব আৰু মজবুত কবচৰ অৰ্থ হ'ল মদিনা আৰু ভেকুলীৰ পিঠিত উঠাৰ অৰ্থ হ'ল মই শত্ৰুৰ সহচৰ সকলক হত্যা কৰিম।

যিয়েই নহওঁক আঁহজৰত (ছাঃ)য়ে এই সম্পৰ্কে পৰামৰ্শ বিচাৰে আৰু কয় যে যদি তোমালোকে একমত আছা তেন্তে মদিনাতেই অৱস্থান কৰা আৰু বালক বালিকা, মহিলা,সকলক আমাৰ দুৰ্গত পৌচাই দিয়া। মদিনা ঠাইখন এটা দুৰ্গৰ দৰেই আছিল। ৰছুলুল্লাহ (ছাঃ)য়ে দিয়া ৰায় সকলো ডাঙৰ ডাঙৰ চাহাবা মুহাজেৰিণ আৰু আনছাৰৰ ফালৰ পৰা মানি লৈছিল। কিন্তু মুছলমান সকলৰ ডেকা চামৰ এটা জামাতে যিসকলে বদৰৰ যুদ্ধত চামিল হ'ব পৰা নাছিল, তেওঁলোকে নিজৰ শ্বাহাদতৰ জৰিয়তে দ্বীনৰ খিদমত কৰাৰ সুবিধা পাবলৈ বৰ আগ্ৰহী আছিল, সেয়ে আবেদন জনায় যে তেওঁলোকক মদিনাৰ বাহিৰত নি যুদ্ধ কৰিবলৈ দিব লাগে যাতে শত্ৰু সকলে তেওঁলোকক ভীৰু বুলি নাভাৱে।

আঁহজৰত (ছাঃ)য়ে এই ডেকা সকলৰ ৰায় মানি লৈ সিদ্ধান্ত লয় যে মুকলি ময়দানত গৈ কাফিৰ সকলৰ মোকাবিলা কৰিব। সেয়ে তেখেত (ছাঃ)য়ে নামাজে জুমাৰ পিছত মুছলমান সকলৰ মাজত ঘোষণা কৰি দিয়ে যে জিহাদ ফি ছাবিলিল্লাহৰ উদ্দেশ্যে এই যুদ্ধত অংশ গ্ৰহণ কৰি নেকি অৰ্জন কৰক। বাকী বৰ্ণনা ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব।

হুজুৰ (আইঃ)য়ে খোতবাৰ শেষত কয় যে পেলেষ্টাইৰ নিপীড়িত জনতাৰ হকে দোৱা কৰিব। যুদ্ধ বিৰতিৰ সময় শেষ হোৱাৰ পিছত আকৌ তেওঁলোকৰ ওপৰত বোমা বৰ্ষণ কৰা হ'ব পাৰে, আকৌ নিষ্পাপ লোক সকলক শ্বহীদ হ'ব পাৰে। গতিকে কিমান অত্যাচাৰ চলিব সেয়া আল্লাহ তা'লা ভালদৰে জানে। তেওঁলোকৰ ভৱিষ্যত সম্পৰ্কে ডাঙৰ শক্তি বিলাকৰ পৰিকল্পনা বৰ বিপদজনক বুলি অনুমান হয়। গতিকে বেছি বেছি দোৱা কৰাৰ প্ৰয়োজন হৈ পৰিছে। আল্লাহ তা'লা পেলেষ্টাইনৰ বিপদ দুৰীভূত কৰি শান্তিৰ বাতাবৰণ সৃষ্টি কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 1 DEC 2023**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844